# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-05-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত হোৱা ভোটগ্ৰহণৰ সময়ত ব্যাঘাত জন্মা ৫ খন জিলাৰ মুঠ ৪৪টা কেন্দ্ৰত কালি হোৱা পুনৰ ভোটগ্ৰহণ ৭৮ দশমিক ১ - ০ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ২ মে'ত হোৱা পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ সময়ত বিক্ষিপ্ত ঘটনা, বেলট বিসংগতিকে ধৰি বিভিন্ন কাৰণত এই কেন্দ্ৰকেইটাত ভোটগ্ৰহণ স্থগিত ৰখা হৈছিল।

পুনৰ ভোটগ্ৰহণ হোৱা কেন্দ্ৰকেইটাৰ ভিতৰত হাইলাকান্দি জিলাৰ সৰ্বাধিক ৩২টা, শ্ৰীভূমিৰ ৮টা, লখিমপুৰত ২টা, গোলাঘাট আৰু মাজুলীৰ এটাকৈ কেন্দ্ৰ আছে। হাইলাকান্দি জিলাত প্ৰায় ৭১ শতাংশ ভোটদান হয় বুলি জানিব পৰা গৈছে। জিলাখনত ভোটগ্ৰহণ সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আছিল।

শ্ৰীভূমি জিলাতৰ ৮টা ভোটগ্ৰহণ কেন্দ্ৰত কালি শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ কৰা হয়। জিলাখনত ৬৬ দশমিক ৮ - ৮ শতাংশ ভোটদান হয়। মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ ৩ নম্বৰ কাচিকটা ৱাৰ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ কৰা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে কেন্দ্ৰটোত ৮৮ দশমিক ১-৬ শতাংশ ভোটদান হৈছে। গোলাঘাটৰ মহুৰা জিলা পৰিষদৰ দিচৈ গাঁও পঞ্চায়ত ৭ নম্বৰ ৱাৰ্ডৰ বাবে গুটুং প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত ভোটগ্ৰহণত ৮৫ দশমিক ৭ - ৬ শতাংশ ভোটদাতাই ভোটদান কৰে। লখিমপুৰত ৭৯ দশমিক ১ - ৬ শতাংশ ভোটদান হয় বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৪২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। বৰপেটা আৰক্ষীয়ে কালি আজিবুৰ ৰহমান, হোজাই আৰক্ষীয়ে জয়নালউদ্দিন আৰু চিৰাং আৰক্ষীয়ে আশ্ৰাফুল ইছলাম নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষী এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত থাকিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টিগোচৰ হোৱা মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়।

উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে হাইলাকান্দি আৰু চিৰাঙত ৩ জন, কোকৰাঝাৰ, কামৰূপ, গোৱালপাৰা, দক্ষিণ শালমাৰা মানকাচৰ, হোজাই আৰু নগাঁৱত দুজনকৈ তথা বিশ্বনাথ, দৰং, গোলাঘাট, ধুবুৰী, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, শ্ৰীভূমি, বৰপেটা আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে।

সামাজিক মাধ্যমযোগে ধৰ্মীয় অনুভূতিত আঘাত হনা তথা সাম্প্ৰদায়িক মন্তব্য কৰাৰ অভিযোগত বৰপেটাৰ আৰক্ষীৰ এটা দলে শনিবাৰে নিশা জিলাখনৰ এজন যুৱকক তেলেংগানাৰ পৰা গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ

কৰা যুৱকজন জিলাখনৰ কাছুমাৰা থানাৰ অধীনৰ চাগবান্ধা গাঁৱৰ বাসিন্দা আৰু বিগত কিছুদিন ধৰি তেলেংগানাত আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে অহা ১৯ মে'ত জীপ চাফাৰি বন্ধ কৰা হ'ব। প্ৰতিকূল বতৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পথসমূহ বোকাময় হৈ পৰাৰ বাবে কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে উদ্যানখনত যোৱা ৩০ এপ্ৰিলত হাতী ছাফাৰী বন্ধ কৰি দিয়া হৈছিল। অৱশ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বন্ধ হ'লেও পানবাৰী সংৰক্ষিত বনাঞ্চল, বিশ্বনাথৰ পাণপুৰ, লাওখোৱা বুঢ়াচাপৰি বনাঞ্চল কিছু দিনৰ বাবে পৰ্যটকৰ বাবে খোলা থাকিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালকে পূৰ্বে জানিবলৈ দিয়া মতে চলিত পৰ্যটন বৰ্ষৰ মাৰ্চলৈকে ৪ লাখ ২০ হাজাৰ পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এইবাৰ প্ৰায় ১৪ হাজাৰ বিদেশী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এই সংখ্যা পূৰ্বৰ বছৰসমূহত অহা বিদেশী পৰ্যটকৰ সংখ্যাৰ দুগুণ। একে সময়তে সম্ভাব্য বানৰ সৈতে মোকাবিলা কৰিবলৈ সাজু হৈছে বুলিও উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০০

ডুমডুমা নগৰৰ ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰত আজিৰে পৰা সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হ'ব। দুদিনীয়াকৈ হ'বলগীয়া এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা মৰাণ জনগোষ্ঠীৰ লোকসকল সমবেত হৈছে। সমন্বয় ক্ষেত্ৰত আজি দিনৰ ভাগত হেজাৰ হেজাৰ বিহুৱা-নাচনীৰ অংশগ্ৰহণেৰে গছ তলৰ বিহু পৰিৱেশন কৰা হ'ব। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰ আৰু নাহৰখোৱা শইকীয়া মূল তোৰণ উদ্বোধন কৰা হ'ব। পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচীৰ পাছত ৰবীন চৌধুৰী সোঁৱৰণী প্ৰদৰ্শনীৰ দ্বাৰ আৰু গ্ৰন্থমেলা উদ্বোধন কৰা হ'ব। সমন্বয়থলীত ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলেশ্বৰ কলিতাই বীৰ ৰাঘৱ মৰাণ মূল মণ্ডপ উদ্বোধন কৰিব। একেদৰে পি এন জি বিৰ অধ্যক্ষ ড০ থানুৰাম মজুমদাৰে মৰাণ জনগোষ্ঠীৰ আৰ্হি ঘৰ উদ্বোধন কৰিব। ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ দীপ শইকীয়াই মৰাণ ছাত্ৰ সন্থাৰ মুখপত্ৰ গন্ধৈ উন্মোচন কৰিব।

মৰাণ জনগোষ্ঠীৰ অন্যতম ঐতিহ্যমণ্ডিত ৰাতি বিহুৰ অনুষ্ঠানত কাইলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

———ডিব্ৰুগড়ৰ পৰা হজ যাত্ৰীৰ এটা দল কালি পৱিত্ৰ হজ যাত্ৰাৰ উদ্দেশ্যে ডিব্ৰুগড় ৰে'ল ষ্টেচনৰ পৰা গুৱাহাটীলৈ ৰাওনা হয়। গুৱাহাটীৰ পৰা তেওঁলোকে চৌদি আৰৱৰ মক্কা মদিনালৈ বিমানেৰে ৰাওনা হ'ব। জিলাখনৰ পৰা এইবাৰ মুঠ ২৭গৰাকী লোক হজলৈ ওলাইছে। ইয়াৰে ১৭জন পুৰুষ আৰু ১০গৰাকী মহিলা। ডিব্ৰুগড় ৰে'ল ষ্টেচনত হজ যাত্ৰীসকলৰ আত্মীয় আৰু শুভাকাংক্ষীসকলে বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা কৰি তেওঁলোকক বিদায় সম্ভাষণ জনায়।

০০০০০০০

**সমাপ্ত**